**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-11-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি এংগোলাৰ লোৱান্দাৰ নেচনেল এছেম্বলিত সাংসদসকলক উদ্দেশ্যি ভাষণ দিয়ে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভূটানলৈ যাব।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ২০২৪-২৫ বৰ্ষত দেশৰ প্ৰতিৰক্ষা উৎপাদনৰ পৰিমাণ প্ৰায় এক লাখ ৫১ হাজাৰ কোটি টকা হৈছে বুলি প্ৰকাশ কৰে। ***আৰু***

৪। সংসদৰ শীতকালীন অধিবেশনত চৰকাৰী নীতি, জনসাধাৰণৰ সমস্যা আৰু সংসদীয় কাৰ্যক্ৰমণিকা সন্দৰ্ভত আলোচনা কৰা হ'ব বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি প্ৰকাশ কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি এংগোলাৰ লোৱান্দাৰ নেচনেল এছেম্বলিত সাংসদসকলক উদ্দেশ্যি ভাষণ দিয়ে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে দেশখনৰ এছেম্বলিত ভাষণ দিয়াটো তেওঁৰ বাবে গৌৰৱৰ কথা। এংগোলাৰ এছেম্বলি তথা ইয়াৰ প্ৰতিনিধিসকল তথা দেশখনৰ স্বাধীনতা সংগ্ৰামে শান্তি আৰু গণতন্ত্ৰলৈ পৰ্যবেক্ষিত হোৱাটো দেশখনৰ বাবে এটা প্ৰশংসনীয় যাত্ৰা বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে। ভাৰত আৰু এংগোলাৰ মাজৰ কূটনৈতিক সম্বন্ধৰ ৪০ বছৰ হোৱা উপলক্ষে দেশখনৰ ৰাষ্ট্ৰপতি ৰাষ্ট্ৰপতি জোৱাও লৰেনকোইৰ তেওঁক আমন্ত্ৰণ কৰাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ এংগোলাৰ ৫০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত ভাগ ল'ব। শ্ৰীমতী মুৰ্মুৱে এই অনুষ্ঠানত অংশগ্ৰহণ কৰাটোৱে দুয়োখন দেশৰ পাৰস্পৰিক সম্বন্ধক উৎসাহিত কৰিব বুলি মত প্ৰকাশ কৰে। ইযাৰ পূৰ্বে শ্ৰীমতী মুৰ্মুৱে লোৱান্দাত থকা প্ৰতিৰক্ষা বাহিনীসমূহৰ সংগ্ৰহালয় পৰিদৰ্শন কৰে।

শ্ৰীমতী মুৰ্মুৱে আজি দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মতবিনিময় কৰিব। এংগোলাত ভাৰতীয় সমূদায়ৰ প্ৰায় আঠ হাজাৰ লোক আছে। দেশখনৰ বিভিন্ন খণ্ডত বিশেষকৈ আতিথ্য, কৃষি, ভেষজ, খুচুৰা বজাৰ, প্লাষ্টিক, ধাতু আৰু হীৰা আদিৰ ক্ষেত্ৰত প্ৰায় ২০০ ভাৰতীয় কোম্পানী নিয়োজিত হৈ আছে।

উল্লেখযোগ্য যে, যোৱা শনিবাৰে দ্বিদেশীয় ভ্ৰমণসূচীৰে ৰাওনা হোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত বটছোৱানালৈ যাব। শ্ৰীমতী মুৰ্মুৱে বটছোৱানাৰা ৰাষ্ট্ৰপতি ডুমা বকোৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভূটানলৈ যাব। দেশ দুখনৰ মাজৰ পাৰস্পৰিক সহযোগিতা তথা বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী মোদী দেশখনলৈ যাব। এই ভ্ৰমণকালত

শ্ৰী মোদী আৰু ভূটানৰ ৰজা জিগমে খেছৰ নামগিয়াল ৱাংছুকে এহেজাৰ ২০ মেগাৱাট উৎপাদন ক্ষমতা সম্পন্ন পুনাত্ছাংছু-টু জলবিদ্যুৎ প্ৰকল্প মুকলি কৰিব। এই প্ৰকল্প ভাৰত আৰু ভূটানে যুটীয়াভাৱে বিকশাই তুলিছে। প্ৰধানমন্ত্ৰীয়ে লগতে ভূটানৰ চতুৰ্থ ৰজা জিগমে ছিংগ্যে ৱাংছুকৰ ৭০ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উপৰি দেশখনৰ প্ৰধানমন্ত্ৰী ছেৰিং টোবগেক সাক্ষাৎ কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে বিশ্ব শান্তি প্ৰাৰ্থনা মহোৎসৱত ভাগ ল'ব আৰু থিম্ফুৰ টাশ্বিছোদ্জোঙত বুদ্ধৰ পবিত্ৰ অৱশেষৰ পূজা-অৰ্চনা কৰিব। ভূটানত থকা ভাৰতৰ ৰাষ্ট্ৰদূত চন্দীপ আৰিয়াই আকাশবাণীৰ আগত জানিবলৈ দিছে যে প্ৰধানমন্ত্ৰী মোদীয়ে দেশখন ভ্ৰমণ কৰাটো উল্লেখযোগ্য হিচাপে বিবেচিত হৈছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সহযোগিতা অধিক সুদৃঢ় কৰাৰ উপৰি পাৰস্পৰিক স্বাৰ্থ জড়িত আঞ্চলিক তথা বিভিন্ন বিষয় সন্দৰ্ভত মত বিনিময় কৰাৰ সুযোগ প্ৰদান কৰিব বুলি প্ৰকাশ কৰিছে।

oooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কৈছে যে ২০২৪-২৫ বৰ্ষত দেশৰ প্ৰতিৰক্ষা উৎপাদনৰ পৰিমাণ প্ৰায় এক লাখ ৫১ হাজাৰ কোটি টকা হৈছে। ইয়াৰে প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডৰ অধীনত ৭১ দশমিক ৬ শতাংশ অৱদান আগবঢ়াইছে। মন্ত্ৰীগৰাকীয়ে নতুন দিল্লীৰ বিশ্ব বাণিজ্য কেন্দ্ৰত প্ৰতিৰক্ষা ৰাজহুৱা খণ্ড ভৱনৰ থলুৱাভাৱে বিকশাই তোলা ব্যৱস্থা উদ্বোধন কৰি এই কথা উল্লেখ কৰে। তেওঁ প্ৰতিৰক্ষা ৰপ্তানীৰ পৰিমাণ ছহেজাৰ ৬৯৫ কোটি টকা হৈছে বুলি উল্লেখ কৰি কয় যে ভাৰতৰ থলুৱাভাৱে বিকশাই তোলা ব্যৱস্থাক বিশ্বই আস্থা প্ৰকাশ কৰিছে। তেওঁ লগতে কয় যে, এই কথাই ভাৰতৰ প্ৰতিৰক্ষা উৎপাদনে বিশ্বত এটা সন্মানীয় স্থান দখল কৰিছে। শ্ৰীসিঙে প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডক গৱেষণা আৰু উদ্ভাৱনক অধিক প্ৰসাৰিত কৰা তথা থলুৱা সামগ্ৰী বিকশাই তোলাৰ বাবে আহ্বান জনাইছে যাতে ভাৰত প্ৰতিৰক্ষাৰ ক্ষেত্ৰত গোলকীয় হাব হিচাপে পৰিগণিত হয়। আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যক আগুৱাই নিয়া তথা দেশৰ প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনৰ অৰ্থব্যৱস্থা ক্ষীপ্ৰ গতিত অধিক সমৃদ্ধ কৰাৰ ক্ষেত্ৰত প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডক প্ৰশংসা কৰিছে। শ্ৰীসিঙে কয় যে ১৬ টা প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডই দেশৰ আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যত শক্তিশালী স্তম্ভ হিচাপে সেৱা আগবঢ়াইছে। তেওঁ অপাৰেছন সিন্দূৰৰ সফলতাৰ কথা উল্লেখ কৰি কয়, যে এই অভিযানে দেশৰ সামৰ্থ আৰু বিশ্বাসযোগ্যতাক প্ৰতিফলিত কৰে। শ্ৰীসিঙে ইণ্ডিয়া অপটেল লিমিটেড আৰু ভাৰত ইলেকট্ৰনিক্স লিমিটেডক সেউজ শক্তি আহৰণৰ ক্ষেত্ৰত এশ শতাংশ সফলতা অৰ্জন কৰাৰ বাবে প্ৰশংসা কৰে। প্ৰতিৰক্ষা ৰাজহুৱা খণ্ড ভৱনটো প্ৰতিৰক্ষা উৎপাদন বিভাগৰ অধীনত সকলো প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডৰ মাজত সহযোগিতা, উদ্ভাৱন আৰু সমন্বয়ৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে। আজিৰ অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ১৬ সংখ্যক প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডৰ বাৰ্ষিক কাম-কাজৰ পৰ্যালোচনা কৰে।

oooo

অহা ১ ডিচেম্বৰৰ পৰা ১৯ ডিচেম্বৰলৈকে হ'বলগীয়া সংসদৰ শীতকালীন অধিবেশনত চৰকাৰী নীতি, জনসাধাৰণৰ সমস্যা আৰু সংসদীয় কাৰ্যক্ৰমণিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। কোহিমাত আজি বিয়লি কমনৱেল্থ সংসদীয় সংস্থাৰ ২২ সংখ্যক সন্মিলনত ভাগ লৈ সংবাদ মাধ্যমৰ আগত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এইকথা প্ৰকাশ কৰে। শ্ৰীবিৰলাই সংসদৰ মৰ্যাদা আৰু নিয়মানুৱৰ্তিতা বৰ্তাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ সংসদক গণতন্ত্ৰৰ মন্দিৰ হিচাপে আখ্যা দি কয় যে ইয়াৰ আলোচনা তথা গঠনমূলক বিতৰ্কত জনসাধাৰণৰ আশা আকাংক্ষা প্ৰতিফলিত হোৱা আৰু ৰাষ্ট্ৰৰ উন্নয়নৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা উচিত। ১৩০ সংখ্যক সংবিধান

সংশোধনী বিধেয়কৰ সন্দৰ্ভত তেওঁ কয় যে ইতিমধ্যে এটা যুটীয়া সংসদীয় সমিতি গঠন কৰা হৈছে আৰু এই সমিতিয়ে এই সন্দৰ্ভত সবিশেষ অৱগত কৰিব। তেওঁ ৰাজনৈতিক দলসমূহক সমিতিৰ আলোচনাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ সৰলীকৰণৰ সন্দৰ্ভত শ্ৰীবিৰলাই সংসদ আৰু ৰাজ্যৰ বিধানসভা সমূহৰ মাজত নিকট সমন্বয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে প্ৰশাসনিক কাম-কাজ স্বচ্ছতাৰে ৰূপায়ণ কৰিব পৰা যায়। তেওঁ জনসাধাৰণক চৰকাৰী কাম-কাজসমূহৰ অধিক ওচৰ চপাই নিয়াৰ বাবে ডিজিটেল ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে, ইতিমধ্যে ভালেমান ৰাজ্যতে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। দেশৰ গণতন্ত্ৰক জীৱন্ত গণতন্ত্ৰ হিচাপে আখ্যা দি তেওঁ কয় যে জনসাধাৰণৰ বাবে প্ৰশাসনক অধিক ওচৰ চপাই নিয়াৰ বাবে মুকলি আলোচনা, বিধায়কসকলৰ সামৰ্থ বৃদ্ধি কৰা উচিত। এই সন্মিলনৰ কথা উল্লেখ কৰি তেওঁ কয় যে এনে ধৰণৰ মঞ্চই বিধায়ক আৰু বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিসকলৰ মাজত বিধানসভাসমূহৰ কাম-কাজৰ ক্ষেত্ৰত প্ৰযুক্তিগত উদ্ভাৱন তথা উন্নত কাৰ্যকৌশলৰ আদান প্ৰদানৰ সুবিধা প্ৰদান কৰে। তেওঁ এনে ধৰণৰ কাৰ্যসূচীয়ে গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহক সৰল তথা বিধানসভাৰ কাৰ্যসূচীসমূহ অধিক সমৃদ্ধ কৰাৰ লগতে ৰাজ্যসমূহৰ মাজত ব্যাপক সহযোগিতাৰ পৰিবেশ সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০

বিহাৰ বিধানসভা নিৰ্বাচনত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাই ৰাজ্যখনত এটা উল্লেখযোগ্য আৰু ঐতিহাসিক বিজয় সাব্যস্ত কৰিব বুলি ভাৰতীয় জনতা পাৰ্টীয়ে আজি আস্থা প্ৰকাশ কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত বিজেপিৰ মুখপাত্ৰ ৰবীশংকৰ প্ৰসাদে কয় যে বিৰোধীয়ে ইতিমধ্যে এই নিৰ্বাচনত তেওঁলোকৰ পৰাজয় স্বীকাৰ কৰিছে আৰু পৰাজিত হোৱাৰ কাৰণ বিচাৰি ফুৰিছে।

ইয়াৰ পূৰ্বে মহাগঠবন্ধনৰ মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থী তথা আৰ জে দিৰ শীৰ্ষ নেতা তেজশ্বী যাদৱে পাটনাত এখন সংবাদ মেলত কয় যে বিগত ২০ বছৰত বিহাৰত কোনো ধৰণৰ উন্নয়ন চকুত পৰা নাই। তেওঁ এই নিৰ্বাচনত মহাগঠবন্ধনে বিজয় সাব্যস্ত কৰিব বুলি দাবী কৰে।

উল্লেখযোগ্য যে বিহাৰ বিধানসভাৰ ১২২টা সমষ্টিত কাইলৈ হ'বলগীয়া দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। নিৰ্বাচন আয়োগে এই নিৰ্বাচন শান্তিপূৰ্ণ, স্বচ্ছ আৰু নিকাকৈ অনুষ্ঠিত কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হ'ব আৰু সন্ধিয়া ৬ বজাত সামৰণি পৰিব। ৰাজ্যখনত যোৱা ছয় নৱেম্বৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত প্ৰায় ৬৫ শতাংশ ভোটদাতাই ভোটদান কৰে। অহা ১৪ নৱেম্বৰত ভোট গণনা কৰা হ'ব।

০০০০

তামিলনাডুৰ মায়লাদুথুৰাই জিলাৰ ১৪জন মাছমৰীয়াক আজি শ্ৰীলংকাৰ নৌসেনাই মাছ ধৰি থকা অৱস্থাত গ্ৰেপ্তাৰ কৰে। মাছমৰীয়াসকলে ব্যৱহাৰ কৰা এখন নাওঁ নৌসেনাই জব্দ কৰে। বাৰজন মাছমৰীয়া বানাকিৰৈ গাঁৱৰ আৰু বাকীসকল কুডডালোৰ আৰু থাৰংগম্বড়ীৰ বুলি জানিব পৰা গৈছে। তদন্তৰ বাবে মাছমৰীয়াকেইজনক কাংকেসন্তুৰাই নৌসেনাৰ শিবিৰলৈ লৈ যোৱা হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ